# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱোৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে আজিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাৰে পৰা ষ্টেডিয়ামত শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিবলৈ বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। কাইলৈ যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰি কয়, যে এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। সুকলমে এই কাৰ্য সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। কাইলৈ সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন শৃংখলা ৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি জুবিন গাৰ্গৰ পৰিয়াল সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে কাইলৈ অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

ooooo

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি বিয়লি ৪ বজাত সামৰণি পৰিছে। আজি পুৱা চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত ভোটগ্ৰহণত ৭১ দশমিক ৮-৪ শতাংশ ভোটদান হোৱা বুলি অসম ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। অৱশ্যে সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা সম্পূৰ্ণ তথ্য লাভ কৰাৰ পাছত এই সংখ্যা আৰু বাঢ়িব পাৰে বুলি কোৱা হৈছে। আমাৰ সংবাদদাতাসকলে জনোৱা অনুসৰি কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত আবেলি চাৰে ৩ বজালৈকে ৭০ দশমিক ৬-৮ শতাংশ ভোটগ্ৰহণ হয়। পৰ্বতঝোৰা সমষ্টিত ৭৫ দশমিক ৪-৩ শতাংশ আৰু যমদুৱাৰ সমষ্টিত ৭৫ দশমিক ১-৬ শতাংশ ভোটদান হয়। বাক্সা জিলাত বিয়লি চাৰে ৩ বজালৈ ৫৭ দশমিক ৫-৮ শতাংশ, তামুলপুৰ জিলাত বিয়লি চাৰে ৩ বজালৈকে প্ৰায় ৬৫ শতাংশ আৰু চিৰাং জিলাত বয়লি চাৰে ৩ বজালৈকে প্ৰায় ৭০ শতাংশ ভোটদান হয়। ভোটগ্ৰহণৰ সময়ছোৱাত কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি এতিয়ালৈকে পোৱা হোৱা নাই।

এইবাৰ নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২৬ লাখ ৫৮ হাজাৰ ১৫৩ গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। উল্লেখযোগ্য যে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে গয়বাৰী আৰু দোতমা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। বি পি এফৰ মুৰব্বী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দেৱৰ গাঁও আৰু চিৰাং দুৱাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ্ টিৰ পৰিৱৰ্তনক পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ বুলি উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব। আজি নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া জি এছ্ টিৰ নতুন সংস্কাৰ সন্দৰ্ভত কালি দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। এই নতুন জি এছ্ টি সংস্কাৰক সঞ্চয় উৎসৱ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই ব্যৱস্থাই কৰ ৰাহি কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰিব। এই নতুন কৰ সংস্কাৰৰ জৰিয়তে দেশে আত্মনিৰ্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। আজিৰে পৰা প্ৰযোজ্য হোৱা নতুন জি এছ্ টিত পূৰ্বৰ ১২ আৰু ২৮ শতাংশ কৰ আঁতৰাই ৫ আৰু ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে।

ooooo

সমাপ্ত